**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-Aug-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। দুৰ্গা পূজাৰ সময়তো ধুবুৰীত শুট এট ছাইট নিৰ্দেশনা বাহাল থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। উৰিয়ামঘাটত তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযানত প্ৰশাসনৰ ২২৮টা বাসগৃহ ধবংস, কেইবা হেক্টৰ ভূমি দখলমুক্ত। আজি নগাঁৱৰ ধিঙত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনৰ তৎপৰতা

৩। মেৰাপানীৰ সীমামূৰীয়া ১১ খন গাঁৱত অনুমতি অবিহনে অসমীয়া লোকৰ প্ৰৱেশ নিষিদ্ধ কৰি নগা প্ৰশাসনৰ জাননী।

৪। বিটিচি নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহৰ প্ৰক্ৰিয়া আজি আৰম্ভ। **আৰু**

৫। কমনৱেল্‌থ ভাৰোত্তোলনত অসমৰ খেলুৱৈৰ জয়যাত্ৰা অব্যাহত। আজি হেমন্ত দৈমাৰী আৰু অভিনৱ গগৈৰ খেল।

০০০০০০

দুৰ্গা পূজাৰ সময়তো ধুবুৰীত শুট এট ছাইট নিৰ্দেশনা বাহাল থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। পৰিস্থিতি সাপেক্ষে ধুবুৰীত অতি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰিছে। কালি পৰ্বতঝোৰাত বিটিচি নিৰ্বাচনৰ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰিছে। উচ্ছেদ অভিযানে বনাঞ্চলসমূহ ৰক্ষা কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে সকলো মানুহে বনাঞ্চল দখল কৰিব নালাগে বুলি বুজি পোৱা উচিত। বনাঞ্চলত আইন সংগতভাৱে কোনো মানুহে বাস কৰিব নোৱাৰে।

আনহাতে বিটিআৰত বিজেপিয়ে চৰকাৰ গঠন কৰাৰ দিশত আগবাঢ়ি থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বিটিচিত বিজেপি চৰকাৰ গঠন হ'লে ভিচিডিচি ব্যৱস্থা নোহোৱা কৰা হ'ব। বিটিআৰত দুখীয়াৰ প্ৰাপ্য কাঢ়ি খোৱা এন্দুৰ বহুত আছে বুলি উল্লেখ কৰি বিজেপি শাসনলৈ আহিলে এইসকলক আঁতৰোৱাৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ কয়। দিল্লী আৰু দিছপুৰত বিজেপি নেতৃত্বাধীন চৰকাৰ থকাৰ দৰে কোকৰাঝাৰতো বিজেপিৰ চৰকাৰ হ'লে বিটিআৰৰ দ্ৰুত উন্নয়ন সম্ভৱ হ'ব বুলি তেওঁ কয়। বিটিআৰত বিজেপিয়ে চৰকাৰ গঠন কৰিলে কোনো দুখীয়া লোক আঁচনিৰ পৰা বঞ্চিত হ'বলগীয়া নহ'ব বুলিও তেওঁ কয়। বিজেপিয়ে অহা ৩০ বা ৩১ আগষ্টৰ ভিতৰত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰিছে।

**বাইট (চি এম)**

০০০০০০

গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কালি তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান সফলতাৰে সম্পন্ন হয়। প্ৰশাসন আৰু বন বিভাগে বনাঞ্চলখনৰ ১ নম্বৰ মধুপুৰ, ৰানানগৰ আৰু হাতীদিঙি অঞ্চলত উচ্ছেদ চলাই ২২৮টা বাসগৃহ ধবংস কৰি সংৰক্ষিত বনভূমি এলেকাৰ কেইবা হেক্টৰ ভূমি দখলমুক্ত কৰে। সমগ্ৰ অভিযান আইনসংগতভাৱে আৰু পূৰ্বে জাৰি কৰা জাননীৰ ভিত্তিত শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। বিশেষ মুখ্য সচিব এন কে

যাদৱৰ নেতৃত্বত এই অভিযানত জিলা আয়ুক্ত জ্যেষ্ঠ আৰক্ষী অধীক্ষক, বন বিভাগ, চি আৰ পি এফ আৰু অসম আৰক্ষীয়ে সহযোগ কৰে। উৰিয়ামঘাটত চৰকাৰে উচ্ছেদ অভিযান চলাই এইপৰ্যন্ত প্ৰায় ১৩ হাজাৰ বিঘা বনাঞ্চল দখলমুক্ত কৰিছে। ৰেংমা বনাঞ্চলৰ উপৰি ৰাজ্য চৰকাৰে উৰিয়ামঘাটৰ আশে-পাশে আন একাংশ অঞ্চলতো উচ্ছেদ অভিযান চলোৱাৰ বাবে প্ৰস্তুতি চলাইছে।

ইপিনে, গোলাঘাট জিলাৰ মেৰাপানীৰ অসম-নাগালেণ্ড সীমান্তত নাগালেণ্ডৰ ১১ খন গাঁৱৰ গাঁওপ্ৰধানে আন্তঃৰাজ্যিক পাৰপত্ৰ অৰ্থাৎ আই এল পি অথবা ভিলেইজ কাউন্সিলৰ অনুমতি অবিহনে কোনো অসমীয়া লোকে নাগালেণ্ডত প্ৰৱেশ কৰিব নোৱাৰিব বুলি জাননী জাৰি কৰিছে। এই জাননী অনুসৰি নাগালেণ্ডত অসমৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত ৯ টা নিয়ম জাৰি কৰা হৈছে। এই নিয়মসমূহ মানুহৰ লগতে পোহনীয়া জীৱ-জন্তুৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব বুলি সকিয়াই দিয়া হৈছে। কোনো লোকে এই নিয়ম উলংঘা কৰিলে ৫০ হাজাৰ টকাৰ জৰিমনাৰ লগতে বিধিগত শাস্তি বিহা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে। অহা এক ছেপ্তেম্বৰৰ পৰা এই নিয়ম কাৰ্যকৰী হ'ব বুলি উল্লেখ কৰা হৈছে। এই জাননী লাভ কৰাৰ পাছতে তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে বিষয়টো সন্দৰ্ভত গোলাঘাট জিলা প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

ইফালে, নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত বটদ্ৰৱা আৰু আলিটাঙনি মৌজাৰ চৰকাৰী ভূমিত অবৈধভাৱে বসবাস কৰা লোকসকলৰ বিৰুদ্ধে আজি উচ্ছেদ অভিযান চলোৱা হ'ব। উচ্ছেদৰ বাবে প্ৰশাসন আৰু আৰক্ষীয়ে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নগাঁও, হোজাই, কাৰ্বি আংলং আৰু গোলাঘাটৰ পৰা ৪১৩ জন জোৱান মোতায়েন কৰা হৈছে। এই সন্দৰ্ভত এয়া আমাৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া –

বাইট

oooooo

বি টি চি নিৰ্বাচনৰ মনোনয়ন পত্ৰ সংগ্ৰহ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। অসম ৰাজ্যিক নিৰ্বাচন আয়োগে কালি জাৰি কৰা নিৰ্দেশ অনুসৰি প্ৰাৰ্থীসকলে আজি দিনৰ ১১ বজাৰপৰা মনোনয়নপত্ৰসমূহ সংগ্ৰহ কৰিব পাৰিব। মনোনয়ন দাখিলৰ বাবে অহা ২ ছেপ্তেম্বৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ৪ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ৬ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। অহা ২২ ছেপ্তেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ২৬ ছেপ্তেম্বৰত ভোটগণনা কৰা হ'ব।

বিটিচি নিৰ্বাচন তথা মনোনয়ন পত্ৰ দাখিল সন্দৰ্ভত জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া পংকজ চক্ৰৱৰ্তীয়ে কালি এখন সংবাদমেলৰ আয়োজন কৰে। নিৰ্বাচনী আচৰণ-বিধি সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে এইদৰে কয় –

বাইট

oooooo

ৰাজ্যৰ ১২ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰী আজি বেংগালুৰুত থকা ভাৰতীয় মহাকাশ গৱেষণা সংস্থা - ISRO ভ্ৰমণৰ বাবে ৰাওনা হৈছে। অসম চৰকাৰৰ সমগ্ৰ শিক্ষা অভিযানৰ এক্সপ'জাৰ টুৰৰ অধীনত ৰাজ্যৰ গ্ৰামাঞ্চলৰ চৰকাৰী শিক্ষানুষ্ঠানত অধ্যয়নৰত বছা বছা মুঠ ১২ গৰাকী ছাত্ৰ-ছাত্ৰীক চাৰিদিনীয়া মহাকাশ গৱেষণা সংস্থা ভ্ৰমণৰ বাবে লৈ যোৱা হৈছে। ইয়াৰ জৰিয়তে তেওঁলোকক মহাকাশ বিজ্ঞান সম্পৰ্কীয় জ্ঞান আৰু বাস্তৱিক অভিজ্ঞতা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। এই ভ্ৰমণকালত ছাত্ৰ-ছাত্ৰীসকলে ইছৰ'ৰ বিজ্ঞানীসকলৰ সৈতেও মত বিনিময় কৰাৰ সুযোগ লাভ কৰিব। আমাৰ দৰঙৰ সংবাদদাতাই জনোৱা মতে এই দলটোত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ দুজন ছাত্ৰ জিৎ কমন কলিতা আৰু ধনজিৎ হাজৰিকাৰ লগতে দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী হিমা ডেকাও আছে। গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী উপাসনা গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীৰ দলটোক নেতৃত্ব দিব।

oooooo

ৰাজ্যৰ ২০ হাজাৰ পঞ্চায়ত প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পৰহিলৈ গুৱাহাটীৰ খানাপাৰাত গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত এখন পঞ্চায়ত সন্মিলন অনুষ্ঠিত হ'ব বুলি ৰাজ্যিক বিজেপিয়ে প্ৰকাশ কৰিছে। এই সন্মিলনত বিজেপিৰ ১৬ হাজাৰ ৬৭১ গৰাকী পঞ্চায়ত প্ৰতিনিধিৰ লগতে অগপৰ ১৫ শৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। তদুপৰি কাৰ্বি স্বায়ত্তশাসিত পৰিষদ, ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদকে ধৰি সকলো স্বায়ত্তশাসিত পৰিষদৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব। অৱশ্যে বিটিচি নিৰ্বাচনৰ বাবে বিটিআৰৰ কোনো প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ নকৰে। পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ জৰিয়তে গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচনৰ ৰণডংকা বজাব বুলি ৰাজ্যিক বিজেপিয়ে সদৰি কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাক ভ্ৰমণৰ পূৰ্বে শিলচৰত কালি মন্ত্ৰী কৌশিক ৰায়ে উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি অনুষ্ঠিত এখন বৈঠকত মন্ত্ৰীগৰাকীয়ে এলিভেটেড কৰিডৰ, মধুৰাঘাট দলং আৰু শিলচৰ-হাইলাকান্দি পথৰ চাৰিলেন প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কয়, যে এলিভেটেড কৰিডৰৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে অঞ্চলটোৰ যান-জঁটৰ সমস্যা বহুলাংশে হ্ৰাস পাব। একেদৰে শিলচৰ-হাইলাকান্দি পথৰ চাৰিলেন প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'লে অঞ্চলটোত শিক্ষা, স্বাস্থ্য আৰু বাণিজ্যৰ ক্ষেত্ৰত সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

কালিৰ বৈঠকত মন্ত্ৰীগৰাকীয়ে নতুন ৰেচন কাৰ্ড আৰু অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ ৰূপায়ণৰ ক্ষেত্ৰত স্বচ্ছতা আৰু ক্ষীপ্ৰতা নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ, বিধায়কত্ৰয় দ্বিপায়ন চক্ৰৱৰ্তী, মিহিৰ কান্তি সোম, খলিলুদ্দিন মজুমদাৰ আৰু জিলা উপায়ুক্ত মৃদুল যাদৱকে ধৰি প্ৰশাসনৰ অন্যান্য শীৰ্ষ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহত পুৱাৰে অগণন ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ গণেশগুৰি, লতাশিল, নিউ গুৱাহাটী, পাঞ্জাবাৰী আৰু বীৰকুচিৰ গণেশ মন্দিৰত পুৱাৰে পৰা সিদ্ধিদাতাৰ পূজা-অৰ্চনাৰ বাবে ভক্তৰ দীঘলীয়া শাৰী পৰিলক্ষিত হয়। ফটাশিল জি এম চি নিউ কলনীত ড০ বি আৰ আম্বেডকাৰ আৰু তেলেগু এছ'চিয়েচন অসমে গণেশ চতুৰ্থী উপলক্ষে ৪১ ফুট উচ্চতাৰ গণেশৰ এটা বৃহৎ মৃন্ময় মূৰ্তি সাজি উলিয়াইছে। গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ শ্ৰীশ্ৰীলংকেশ্বৰ ধামৰ নামনিত থকা গণেশ মন্দিৰতো গণেশ চতুৰ্থীৰ আয়োজন কৰা হৈছে।

গোৱালপাৰা জিলা বিভিন্ন স্থানতো গণেশ পূজাৰ আয়োজন কৰা হৈছে। বনৰীয়া হাতীৰ পৰা ৰক্ষা পাবলৈ লক্ষীপুৰ অঞ্চলৰ মেধিপাৰা গাঁৱত ৰাজহুৱাভাৱে গণেশ চতুৰ্থীৰ আয়োজন কৰা হৈছে। ধুবুৰী জিলাৰ গৌৰীপুৰ, বিলাসীপাৰা, গোলকগঞ্জ আদি স্থানত ধৰ্মীয় পৰম্পৰাৰে গণেশ চতুৰ্থী পালন কৰা হৈছে।

০০০০০০

মণিপুৰত সেনা, অসম ৰাইফলছ, মণিপুৰ আৰক্ষী আৰু অন্যান্য সুৰক্ষা বাহিনীয়ে যুটীয়া অভিযান চলাই ৮ জন নিষিদ্ধ ঘোষিত উগ্ৰপন্থী গোটৰ সদস্যকে ধৰি ভালেসংখ্যক অস্ত্ৰ-শস্ত্ৰ জব্দ কৰিছে। প্ৰতিৰক্ষা মুখপাত্ৰ লেফটেনেণ্ট কৰ্নেল অমিত শুক্লাই প্ৰকাশ কৰা মতে সুৰক্ষা বাহিনীয়ে বিগত কেইদিনমানত ৰাজ্যখনৰ জিৰিবাম ফেৰজৱল, বিষ্ণুপুৰ, থৌবাল, পূব আৰু পশ্চিম ইম্ফল জিলাত যুটীয়া অভিযান চলায়। আটক কৰা উগ্ৰপন্থীকেইজন কাংলেইপাক কমিউনিষ্ট পাৰ্টী আৰু ৰিভ'লিউচনেৰী পিপলছ ফ্ৰণ্ট-পিপলছ লিবাৰেচন আৰ্মীৰ সদস্য বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে সুৰক্ষা বাহিনীৰ এই যুটীয়া প্ৰচেষ্টাই মণিপুৰত শান্তি আৰু নিৰাপত্তা বজাই ৰখাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বিভিন্ন অঞ্চলত শ্ৰম বিভাগে অভিযান চলাই কালি তিনিটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা চাৰিটি শিশু শ্ৰমিক উদ্ধাৰ কৰে। হাটশিঙিমাৰী জিলা সমাজ কল্যাণ বিভাগ আৰু আৰক্ষীৰ সহযোগত শ্ৰম বিভাগে চলোৱা অভিযানত মানকাচৰ এলেকাৰ কাঠ কটা কামত নিয়োজিত দুটি শিশু আৰু বেটেৰীৰ দোকান তথা গেৰেজৰ পৰা আন দুটি শিশুক উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰা শিশুকেইটা সম্প্ৰতি শিশুগৃহত ৰখা হৈছে। ইতিমধ্যে শিশু শ্ৰমিক ব্যৱহাৰ কৰা প্ৰতিষ্ঠানকেইখনৰ মালিকৰ বিৰুদ্ধে জৰিমণা বিহাৰ উপৰি এজাহাৰ দাখিল কৰা হৈছে।

০০০০০০

গুজৰাটৰ আহমেদাবাদত অনুষ্ঠিত কমনৱেল্‌থ ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ খেলুৱৈৰ জয়যাত্ৰা অব্যাহত আছে। কালি ভাৱনা গগৈয়ে যুৱ শাখাৰ ৫৮ কিলোগ্ৰাম শিতানত প্ৰতিদ্বন্দ্বিতা কৰি সোণৰ পদক পদক অৰ্জন কৰে। প্ৰথমবাৰৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰা ভাৱনাই এই প্ৰতিযোগিতাত স্নেট্‌চত ৬৯ আৰু ক্লীন এণ্ড জাৰ্কত ৯৩ কিলোগ্ৰাম উত্তোলন কৰি সামগ্ৰিকভাৱে ১৬২ কিলোগ্ৰাম ওজন উত্তোলন কৰি সোণৰ পদক হস্তগত কৰে। অসম ভাৰোত্তোলন সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।

প্ৰতিযোগিতাত আজি ল'ৰাৰ জুনিয়ৰৰ ৭১ কিলোগ্ৰাম শাখাত হেমন্ত দৈমাৰী আৰু যুৱ শাখাৰ ৭১ কিলোগ্ৰাম শাখাত অভিনৱ গগৈ অৱতীৰ্ণ হ'ব। বেদব্ৰত ভৰালীয়ে কাইলৈ জুনিয়ৰৰ ৭৯ কিলোগ্ৰাম শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০

আহমেদাবাদত মাৰুটি ছুজুকিৰ বৈদ্যুতিক গাড়ী ই-ভিটাৰাৰ উতপাদন উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে মেক ইন ইণ্ডিয়াৰে ভাৰত এতিয়া মেক ফৰ ৱৰ্ল্ডৰ দিশে অগ্ৰসৰ হৈছে। এয়া **অসমীয়া প্ৰতিদিন** কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি।

মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ভাৰতীয় সামগ্ৰীৰ ওপৰত ঘোষণা কৰা ৫০ শতাংশ শুল্ক আজিৰ পৰা প্ৰযোজ্য হব। এই বাতৰিক **দি টাইমছ অব ইণ্ডিয়া** কাকতে শীৰ্ষস্থান দিছে। এই শুল্কক কেন্দ্ৰ কৰি দিল্লীত প্ৰধানমন্ত্ৰীৰ পৌৰোহিত্যত কালি উচ্চস্তৰীয় বৈঠক সম্পন্ন হোৱাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

**নিয়মীয়া বাৰ্তা** কাকতে মৰাণৰ জটিয়নিত স্কুললৈ গৈ থাকোতে পথ দূৰ্ঘটনাত পিতা-পুত্ৰৰ একেলগে মৃত্যু হোৱাৰ বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

অহা ২২ ছেপ্তেম্বৰত বিটিচিত নিৰ্বাচন অনুষ্ঠিত হব। ২৬ ছেপ্তেম্বৰত ফলাফল ঘোষণা কৰা হব। **দি আছাম ট্ৰিবিউন** কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত